**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-05-2026
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰচণ্ড গৰমৰ বতৰত অত্যন্ত সাৰধানতা অৱলম্বন কৰিবলৈ আৰু বিভিন্ন চৰকাৰী বিভাগে জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলিবলৈদেশবাসীক আহ্বান জনাইছে।

২। আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ প্ৰতিটো প্ৰজন্মৰ বাবে এতিয়া জ্যোতিৰ্বিজ্ঞান আগ্ৰহৰ বিষয় হৈ পৰিছে।

৩। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি শ্বিলঙত আয়োজিত ফিট ইণ্ডিয়া ছানডেজ অন চাইকেল কাৰ্যসূচীৰ ৭৬ সংখ্যক সংস্কৰণত অংশগ্ৰহণ কৰে।

৪। এডমিৰেল কৃষ্ণ স্বামীনাথনে আজি নৌবাহিনীৰ ২৭ সংখ্যক মুৰববী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ্ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰচণ্ড গৰমৰ বতৰত অত্যন্ত সাৰধানতা অৱলম্বন কৰিবলৈ দেশবাসীক আহ্বান জনাইছে। তেওঁ এই ক্ষেত্ৰত বিভিন্ন চৰকাৰী বিভাগে জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলিবলৈও সকলোকে পৰামৰ্শ দিয়ে। আকাশবাণীযোগে প্ৰচাৰিত মাহেকীয়া মন কী বাত অনুষ্ঠানত আজি দেশবাসীৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনায়। তেওঁ কয়, যে এনে বতৰত সকলোৱে পৰ্যাপ্ত পানী খোৱাৰ লগতে বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰত সাৰধানতা অৱলম্বন কৰা উচিত।

বাইট

প্ৰধানমন্ত্ৰীয়ে গৰমৰ বতৰত আম চৰবত, বাটাৰ মিল্ক, লাচি, চাতু চৰবত, বেল চৰবত আদি দেশৰ বিভিন্ন প্ৰান্তত প্ৰচলিত পৰম্পৰাগত পানীয় গ্ৰহণ কৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিয়ে। তেওঁ কয় যে এই পৰম্পৰাগত পানীয়সমূহে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ প্ৰেৰণাক প্ৰতিফলিত কৰে। এই পানীয়সমূহ কোনো বৃহৎ ব্ৰেণ্ডৰ অন্তৰ্ভুক্ত নহয় যদিও এইবোৰে প্ৰজন্মৰ পাছত প্ৰজন্মক আকৰ্ষিত কৰি আহিছে।

আমৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ প্ৰতিটো অঞ্চলতে বেলেগ বেলেগ জাতৰ আম পোৱা যায় আৰু এইবিলাকৰ নিজা নিজা সোৱাদ আছে। তেওঁ কাশীৰ লেংৰা, মহাৰাষ্ট্ৰৰ আলফন্স', গুজৰাটৰ কেশৰ, পশ্চিমবংগৰ হিমসাগৰ আদি বিভিন্ন জাতৰ আমৰ উদাহৰণ দিয়ে। শ্ৰীমোদীয়ে আম খেতিৰ সৈতে জড়িত কৃষকসকলৰ অৱদানক ভূয়সী প্ৰশংসা কৰি কয়, যে আম এতিয়া ভাৰতৰ গাওঁৰ পৰা গৈ বিশ্বৰ বজাৰত সমাদৃত হৈছে। আম খেতিয়কসকলক দেশৰ কৃষি অৰ্থনীতিৰ অতি বিশেষ অৱদানকাৰী হিচাপে শ্ৰীমোদীয়ে উল্লেখ কৰে।

অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ শেহতীয়া নেডাৰলেণ্ডছ ভ্ৰমণৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই ভ্ৰমণকালত এটা বিশেষ অনুষ্ঠানত নেডাৰলেণ্ডছ চৰকাৰে চোল বংশৰ ৰজাসকলৰ সময়ৰ প্ৰাচীন তাম্ৰ লিপিসমূহ ভাৰতলৈ হস্তান্তৰ কৰে। তেওঁ কয় যে এই তাম্ৰলিপিসমূহত চোল সাম্ৰাজ্যৰ সাফল্যৰ বৰ্ণনা

আছে। শ্ৰীমোদীয়ে লগতে কয়, যে এই তাম্ৰলিপিসমূহৰ জৰিয়তে দক্ষিণ-পূৰ এছিয়াৰ দেশসমূহৰ সৈতে চোল ৰজাসকলৰ সম্পৰ্কৰ বিষয়েও উমান পাব পাৰি।

বাইট

প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰে দেশৰ অমূল্য ঐতিহ্য ক্ষেত্ৰসমূহ সংৰক্ষণৰ বাবে অহৰহ কাম কৰি আছে। এই ক্ষেত্ৰত তেওঁ জ্ঞান ভাৰতম অভিযানৰ অধীনত চত্তিশগড়ৰ মালহাৰত আৱিস্কৃত গুৰুত্বপূৰ্ণ সম্পদসমূহৰ উদাহৰণ দিয়ে। এই অঞ্চলত ষষ্ঠ, সপ্তম শতিকাৰ পাণ্ডুবংশী ৰাজবংশৰ মহাঋষি বালাৰ্জুনৰ দিনৰ ৩ খন গুৰুত্বপূৰ্ণ তাম্ৰ লিপি উদ্ধাৰ হোৱা বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

আজিৰ মন কী বাতত প্ৰধানমন্ত্ৰীয়ে ঝাৰখণ্ডৰ ৰাঁচিত ৮০০ এথলীটৰ অংশগ্ৰহণেৰে অনুষ্ঠিত ৰাষ্ট্ৰীয় ছিনিয়ৰ এথলেটিক্স ফেডাৰেছন প্ৰতিযোগিতাৰ বিষয়ে উল্লেখ কৰে। এই প্ৰতিযোগিতাত বিভিন্ন শিতানত ৪ টা ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰা গুৰিন্দৰ বীৰ সিং, বিশাল টি কে, তেজস্বীন শংকৰ, দেৱ মীনা আৰু কুলদীপ কুমাৰক অভিনন্দন জনায়। তেওঁ ১০০ মিটাৰ দৌৰত অভিলেখ ভংগ কৰা গুৰিন্দৰ বীৰ সিং আৰু অনিমেশ কুজুৰৰ সৈতে মত বিনিময় কৰে।

ইফালে, প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ প্ৰতিটো প্ৰজন্মৰ বাবে এতিয়া জ্যোতিৰ্বিজ্ঞান আগ্ৰহৰ বিষয় হৈ উঠিছে। জ্যোতিৰ্বিজ্ঞান ক্লাৱসমূহ দেশত ক্ৰমান্বয়ে জনপ্ৰিয় হৈ উঠা বুলি উল্লেখ কৰি তেওঁ তৰুণ প্ৰজন্মক একোটা এনে ক্লাৱৰ সৈতে জড়িত হ'বলৈ আহ্বান জনাই আৰু বন্ধৰ দিনত এটা তাৰকা গৃহ দৰ্শন কৰিবলৈ পৰামৰ্শ দিয়ে। আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে কেৰলমৰ আলুভাত বিনামুলীয়া সাতোৰ ক্লাৱ চলাই থকা চাজি বালাচেৰিলক প্ৰশংসা কৰে। শ্ৰীবালাচেৰিলে তেওঁৰ ক্লাৱৰ জৰিয়তে কোনো ধন নোলোৱাকৈ ১৫ হাজাৰৰো অধিক লোকক সাতুৰিবলৈ শিকাইছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। নিজৰ বক্তব্যত প্ৰধানমন্ত্ৰীয়ে তামিলনাডুৰ নাগেৰকইলৰ গিৰিজা আম্মা নামৰ এগৰাকী শিক্ষয়িত্ৰীৰ বিষয়ে উল্লেখ কৰি কয় যে শিক্ষয়িত্ৰীগৰাকীয়ে মন কী বাতৰ জৰিয়তে প্ৰেৰণা লাভ কৰি সৈনিকসকলৰ বাবে প্ৰশংসাসূচক কাম কৰিছে। তেওঁ কয় যে শিক্ষয়িত্ৰীগৰাকীয়ে সাহসী সৈনিকসকলৰ সহায়ৰ বাবে শিশুসকলক প্ৰতিদিনে এটকাকৈ অৱদান আগবঢ়াবলৈ উৎসাহিত কৰি আহিছে। এই উদ্যোগৰ জৰিয়তে প্ৰায় ৪০ লাখ টকা সংগ্ৰহ হয় আৰু এই সমুদায় টকা চেকযোগে তেওঁলৈ শিক্ষয়িত্ৰীগৰাকীয়ে প্ৰেৰণ কৰে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে যোৱা বছৰৰ সোণালী জয়ন্তী সম্পূৰ্ণ কৰা চেন্নাইৰ প্ৰথমখন হিন্দু বিদ্যালয়ৰ বিষয়ে উল্লেখ কৰে। এই বিদ্যালয়খনে দেশৰ শিক্ষাৰ অগ্ৰগতি আৰু সাংস্কৃতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী মনসুখ মাণ্ডাভিয়াই আজি শ্বিলঙত আয়োজিত **ফিট ইণ্ডিয়া ছানডে'জ অন চাইকেল** কাৰ্যসূচীৰ ৭৬ সংখ্যক সংস্কৰণত অংশগ্ৰহণ কৰে। চাইকেল চালনাৰ জৰিয়তে যুৱ সম্প্ৰদায়, খেলুৱৈ, শাৰিৰীক সুস্থতাৰ প্ৰতি সচেতন লোকসকলকে ধৰি সকলো শ্ৰেণীৰ নাগৰিকক একগোট কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি অহা এই কাৰ্যসূচী মন্ত্ৰীগৰাকীয়ে আজি শ্বিলঙত অৱস্থিত ৰাজ্যিক কেন্দ্ৰীয় পুঁথিভঁৰাল চৌহদৰ পৰা আনুষ্ঠানিকভাৱে মুকলি কৰে।

এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা লোকসকলৰ সন্মুখত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমাণ্ডাভিয়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আস্থা জনোৱা ফিট ইণ্ডিয়া আন্দোলনৰ সমৰ্থনত সমগ্ৰ দেশৰ ভিন ভিন অঞ্চলত লাখ লাখ লোকে প্ৰতি দেওবাৰে অংশগ্ৰহণ কৰা **ছানডে'জ অন চাইকেল** শীৰ্ষক এই অনুষ্ঠান সম্প্ৰতি এটা ৰাষ্ট্ৰীয় আন্দোলনলৈ ৰূপান্তৰিত হৈছে। দেশৰ ভিন ভিন অংশৰ ছহেজাৰতকৈও অধিক ঠাইত চাইকেল চলোৱাৰ এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে ৰূপায়িত হৈ আহিছে বুলিও তেওঁ উল্লেখ কৰে। চাইকেল চালনাক অন্যতম সুফলদায়ক ব্যায়াম বুলি অভিহিত কৰি শ্ৰীমাণ্ডাভিয়াই ইয়াৰ ফলত শাৰিৰীক সুস্থতা বৃদ্ধি, প্ৰদূষণৰ

পৰিমাণ হ্ৰাস কৰা, ইন্ধন ৰাহি কৰা আৰু যান-জঁটৰ সমস্যা লাঘৱ কৰাকে ধৰি ভালেমান দিশত সমাজখন উপকৃত হ'ব পাৰে বুলি মত প্ৰকাশ কৰে।

পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি তথা ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰাৰ আহ্বানৰ প্ৰসঙ্গ উল্লেখ কৰি তেওঁ কয় যে কাষৰীয়া ঠাইসমূহলৈ চাইকেলেৰে যোৱাৰ অভ্যাসৰ জৰিয়তে শক্তিৰ অপচয় হ্ৰাস কৰাৰ প্ৰতি উল্লেখনীয় বৰঙণি আগবঢ়াব পাৰি।

আজিৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰি যুৱ কল্যাণ আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰক্ষা খাড়ছেই কয় যে শ্বিলঙত আয়োজন কৰা এই অনুষ্ঠানত জনসাধাৰণৰ প্ৰতিনিধি, খেলুৱৈ আৰু সামগ্ৰিকভাৱে চাইকেল চালনাৰ প্ৰতি আগ্ৰহী বহুসংখ্যক লোকে অংশগ্ৰহণ কৰিছে। শ্বিলঙত চাইকেল চালনাই ক্ৰমান্বয়ে অধিক জনপ্ৰিয়তা লাভ কৰিছে বুলি উল্লেখ কৰি এই ব্যৱস্থাই শাৰিৰীক সুস্থতা আৰু পৰিৱেশ প্ৰদূষণৰ ফলত উদ্ভৱ হোৱা সমস্যাৰ সমাধানৰ প্ৰতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

লোকমাতা অহল্যাবাঈ হলকাৰৰ আজিৰ জন্মবাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে সমাজৰ কল্যাণৰ প্ৰতি মহিয়সী নাৰীগৰাকীয়ে আগবঢ়াই যোৱা বুদ্ধিদীপ্ত, কৰুণাময় তথা নিষ্ঠাপূৰ্ণ সেৱাৰ বাবে সমগ্ৰ দেশে তেওঁক চিৰদিন শ্ৰদ্ধা আৰু সন্মান সহকাৰে সুঁৱৰিব। অহল্যাবাঈৰ জীৱনক সুশাসন, দেশপ্ৰেম আৰু সাংস্কৃতিক গৰ্বৰ প্ৰতীক বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এইগৰাকী নাৰীয়ে তেওঁৰ উৎসৰ্গীকৃত মনোভাৱেৰে দেশৰ সাংস্কৃতিক সজাগতাক অধিক শক্তিশালী কৰি থৈ গৈছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও লোকমাতা অহল্যাবাঈ হলকাৰৰ জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

ooooo

এডমিৰেল কৃষ্ণ স্বামীনাথনে আজি নৌবাহিনীৰ ২৭ সংখ্যক মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ এডমিৰেল দীনেশ কে ত্ৰিপাঠীৰ ঠাইত এই পদত অধিষ্ঠিত হয়। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই সংবাদ মাধ্যমৰ আগত ভাষণ দি এডমিৰেল স্বামীনাথনে দেশৰ সুৰক্ষাৰ প্ৰতি ভাৰতীয় নৌবাহিনীয়ে আগবঢ়াই অহা উল্লেখনীয় বৰঙণিৰ বিষয়ে ব্যাখ্যা কৰে। আঞ্চলিক সুৰক্ষা প্ৰত্যাহ্বানমূলক, জটিল, আগতীয়াকৈ ধাৰণা কৰিব নোৱাৰা ধৰণৰ তথা অনিশ্চিত পৰিস্থিতিত দেশৰ স্বাৰ্থক সুৰক্ষিত কৰি ৰখাৰ লক্ষ্যৰে নৌবাহিনীয়ে সতৰ্ক প্ৰহৰী হিচাপে কাম কৰি আহিছে বুলি তেওঁ মত প্ৰকাশ কৰে। শ্ৰীস্বামীনাথনে লগতে দেশৰ সুৰক্ষা তথা অৰ্থনৈতিক দিশসমূহক সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত বাহিনীটো সততে সক্ৰিয় হৈ থকাটোক নিশ্চিত কৰাই তেওঁৰ সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয় হ'ব বুলি উল্লেখ কৰে।

বাইট (স্বামীনাথন)

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

সমাপ্ত